**নং ঃ ৮১২/২০২০**

# কাছাৰ জিলাত সংঘটিত পথ দুৰ্ঘটনাত ৫ গৰাকীকৈ ছাত্ৰ নিহত হ'বলগীয়া ঘটনাত মুখ্যমন্ত্ৰীৰ গভীৰ শোক প্ৰকাশ

**দিছপুৰ, ২ ডিচেম্বৰ ঃ** কাছাৰ জিলাত সংঘটিত হোৱা পথ দুৰ্ঘটনাত ৫ গৰাকীকৈ ছাত্ৰ নিহত হ'বলগীয়া হোৱা ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। আজি এক বিবৃতিৰ জৰিয়তে মুখ্যমন্ত্ৰীয়ে এই ঘটনা অত্যন্ত দুখঃদায়ক আৰু মৰ্মান্তিক বুলি কয়। মুখ্যমন্ত্ৰীয়ে নিহত হোৱা ছাত্ৰ কেইজনৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি ছাত্ৰ কেইগৰাকীৰ পৰিয়ালবৰ্গকো সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ**
**২/১২/২০২০**